# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

সমগ্ৰ ৰাজ্যতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। ইয়াৰ উপৰি বাসগৃহ আৰু প্ৰতিষ্ঠানসমূহৰ সন্মুখত কলগছ ৰোপন কৰি মাটিৰ চাকিৰে পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালিপূজা আৰু দিপাৱলী পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। বিভিন্ন ঠাইত থকা কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত কালী পূজাৰ আয়োজন কৰা হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

এইবাৰ বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি কালিপূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানত আজিৰে পৰা কেইবাদিনীয়া কাৰ্যসূচীৰে কালীপূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ গহীয়াত আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে ৬৭ সংখ্যক কালীপূজা উদযাপন কৰা হৈছে। উল্লেখযোগ্য যে, এই পূজাত মূৰ্তিৰ প্ৰচলন নাই যদিও এটা মাটিৰ ঘটত শ্যামাকালী দেৱীৰ প্ৰতিক হিচাপে লৈ পূজা-অৰ্চনা কৰা হয়। ইয়াৰ উপৰি এই পূজা বলি-বিধান নোহোৱাকৈ উদযাপন কৰি অহা হৈছে। পূজাৰ লগত সংগতি ৰাখি বিভিন্ন থলুৱা কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

গোৱালপাৰা জিলাৰ শৌলমাৰিত থকা ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামকালী মন্দিৰত আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। কালী পূজা উপলক্ষে আজি পুৱাৰে পৰা বিভিন্ন ঠাইৰ পৰা অহা

ভক্তিপ্ৰাণ ৰাইজে মা কালীৰ চৰণত আশীষ লৈ সকলোৰে মংগল কামনা কৰিছে। জিলাখনৰ আন আন ঠাইত কালীপূজা আৰু দীপাৱলী উদযাপনৰ বাতৰি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

পাঠশালা যুৱ সমাজৰ উদ্যোগত **বজালী** জিলাত দুদিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ওজাপালি প্ৰদৰ্শন, বিশ্ব শান্তিৰ বাবে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ আদি কাৰ্যসূচী লোৱা হৈছে। **শিলচৰ**ৰ ১২৪ বছৰ পুৰণি শ্মশানঘাট কালীমন্দিৰত আজি নিশা কালী পূজা অনুষ্ঠিত হ'ব। **গোৱালপাৰা** জিলাৰ শ'লমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামাকালী মন্দিৰত আজিৰেপৰা তিনিদিনীয়াকৈ কালী পূজাৰ আয়োজন কৰা হৈছে। পুৱাৰেপৰা মন্দিৰত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে।

ooooo

অহা ডিচেম্বৰৰ পৰা জানুৱাৰী মাহত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাগৰিত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এই কথা জানিবলৈ দিয়ে।

**ৰাইট**

ইপিনে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোটৰ ছিংগাপুৰ ভ্ৰমণ সন্দৰ্ভত গোটৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই পৰৱৰ্ত্তী সময়ত সংবাদ মাধ্যমক সকলো অৱগত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে।

ooooo

২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে পবিতৰা অভয়াৰণ্য অহা ২৩ অক্টোবৰত পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ ৰাজ্য চৰকাৰৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে বানপানীৰ সময়ছোৱাত ক্ষয়-ক্ষতি হোৱা অভয়াৰণ্যখনৰ আন্তঃগাঁথনি ইতিমধ্যে মেৰামতি কৰি তোলা হৈছে। সম্প্ৰতি ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে।

ooooo

সমাপ্ত